সিবিলাকৰ নাম অলেখ।

**মকৰা পেঙ্কাৰ ঃ** জয়ে জয়ে হোৱা কংগ্ৰেছ সেৱক বাৰুৰতি গাঁৱৰ টেপুৰাম গগৈ আৰু কৃষ্ণকান্ত গগৈয়ে এদিন ক'লেহি বোলে, "কাকতী পুলৰ মকৰা পেঙ্কাৰে আমাক পুলিচৰ হতুৱাই ধৰাই নিয়াও বুলিছে, মহীকান্ত বৰুৱাৰ হতুৱাই এজাহাৰ লেখোৱালেই। আজিয়েই আমগুৰি থানালৈ মানুহ যাব। সিহঁতৰ হাততে বোলে এজাহাৰখন পঠিয়াব। পেঙ্কাৰে আমাৰ ৰাইজখনক কুকুৰ বুলি গালিও পাৰিছে। তেওঁ আটাইকে ভঙাই ফুৰিছে বোলে কংগ্ৰেছত কোনেও যোগ নিদিব। কোনে ক'ত মহাত্মাৰ জয় দিয়ে, কোনে কাক কানি এৰিবলৈ কয়— এই এটাইবোৰ খবৰ পেঙ্কাৰে মনে মনে পুলিচলৈ দি থাকে। তেওঁ ৰাইজকো নেমানে। পেঙ্কাৰক কংগ্ৰেছত সুমুৱাব নোৱাৰিলে, আমি আৰু সেইফালে ঠুঁটিয়াবই নোৱাৰো। আমাক তেওঁ 'কুকুৰ ভলণ্টিয়াৰ' নোবোলাকৈ কথাকে নকয়।" সেইবাবে মই পেঙ্কাৰৰ ওচৰলৈ গৈ পেঙ্কাৰক কংগ্ৰেছ মেম্বৰ কৰিব লাগে আৰু পুলিচলৈ ৰিপৰ্ট দিয়া বন্ধ কৰাব লাগে, এই বুলি টানি অনুৰোধো কৰিলে।

মকৰা পেঙ্কাৰে ভলণ্টিয়াৰক কিয় কুকুৰ বুলিছিল আৰু ভাবুকি দি, ফোৰোহানি মাৰি টেপু-কৃষ্ণাইক কেনেকৈ কৰ্ফাল খুৱাই মোৰ ওচৰ পোৱাইছিল, তাৰ আঁতি-গুৰি ক'লেহে সাত বিহুৰ সৈয়াকণী মকৰা পেঙ্কাৰৰ কথাৰ ভাও আৰু সজা-সৰকা প্ৰকৃতিৰ তৎ ধৰিবপৰা যাব।

কথাটো এই— চাৰিং কাকতী গাঁও ক্ৰেডিট্ চছাইটিৰ

চেক্রেটৰী ভোলানাথ কাকতীৰ পথাৰত দাই থোৱা পকাধানৰ মুঠি কিছুমান নিশা কোনোবাই ধাননিৰপৰাই চুৰকৈ নিলে। ভোলা কাকতীয়ে কংগ্ৰেছ ভলণ্টিয়াৰ টেপু-কৃষ্ণাইক চোৰৰ শুং-সূত্ৰ উলিয়াবলৈ কোৱাত তেওঁবিলাকে পুং খেদি খেদি পেঙ্কাৰৰ ভঁড়ালত সেই মুঠি জাপি থোৱা পালেহি। সেই কাৰণেই, ভলণ্টিয়াৰ দুজনে মেল চপাই গোচৰ দিলে, "ভোলা চেক্রেটৰীৰ পথাৰত ধানৰ মুঠি চুৰ কৰিলে। মুঠিবোৰ পেঙ্কাৰৰ গালফৰা। আমি খুঁচৰি-খুঁচৰি ধানৰ চিনে-চাবে সেই মুঠিবোৰ পেঙ্কাৰৰ ভঁড়ালত পালোহি। পেঙ্কাৰক সোধাত ক'লে, "ভঁড়ালত কোনে কি সুমাই থৈছে, মই কেনেকৈ ক'ম? মই কিবা আনিছোঁ নে?" —মেলুৱাইসকলে বিচাৰ কৰি ভলণ্টিয়াৰৰ অভিযোগ সঁচা বুলি, সন্দেহতে পেঙ্কাৰৰ পুতেক এটিক এশ টকা দণ্ড কৰিলে। সেই দণ্ডৰ টকাকে আনিবলৈ যাওঁতে, পেঙ্কাৰে গালি-শপনি পাৰি টেপু-কৃষ্ণাইক ভেকাহি লগালে। "ৰ, কুকুৰহঁত, তহঁতক পুলিচত দিব লাগিব। মই দণ্ড-ফণ্ড নিদিওঁ। কুকুৰ ৰাইজখনেনো কেনেকৈ দণ্ড লয় চাওঁ বাৰু, ৰঃ।"

২

পেঙ্কাৰ ভিতৰত আছিল। বোধকৰোঁ, ভাত ৰান্ধিছিল। মই চ'ৰা-ঘৰৰপৰা মাত লগালো, "পেঙ্কাৰ ডাঙৰীয়া আছেনে?"

ভিতৰৰপৰা মাত এষাৰ আহিল, "কোন?"

মই মাত দিলো, "মই হে।"

আকৌ ভিতৰৰপৰা নিজে নিজে কোৱা যেনকৈ (স্বগতঃ) টানি সুধিলে, "আয়— আয়। কোন।"

মই ও ডাঙৰকৈ মাতি পঠিয়ালো, "মই অমুক" (মোৰ নামটো ক'লো)।

এইবেলি নেপথ্যে মাত মতা মানুহজন ভিতৰৰপৰা ওলাই আহিল। মানুহজনৰ কঁকালৰপৰা তলছোৱাত মুগা চুৰিয়াৰ বৰ ফেৰ আৰু গাত পাতলীয়া চেলেং এখন। তেঁৱেই মকৰা পেস্কাৰ। মোক দেখা মাত্রকে তেওঁ আচৰিত হোৱা যেন দেখুৱালে আৰু অমৰাগুটীয়া উঁহা চকুকিটা পকাই, মোক সেৱা এটি কৰা যেনকৈ, পকা গোঁফ কোঁচাত হাত ফুৰাই বৰ আথে-বেথে সুধিলে, "অ' গুৰুজন দেখোন। দুপৰীয়াখন বন্দীৰ ভগা বহাত কিয় বা থিত দিলেহি?" এই

বুলি কথাষাৰ সোধাৰ লগে লগেই গোসাঁই-ঘৰৰ ফালে গৌৱাই হাতযোৰকৈ ক'লে, "এতিয়া, উঠিবহে লাগে।" (যেন, মই আহিম বুলি তেওঁ আগেয়েই জানিছিল আৰু যেন গোসাঁই ঘৰত, সেইবাবে, মোলৈ জলপান সজাই থোৱাই আছিল; এতিয়া উঠি মাথোন খাবগৈহে লাগে।)

পেস্কাৰৰ ভেৰাকুটীয়া ভাও দেখি মইও গহীনাই কৈ দিলোঁ, "থক, থক; নেলাগে বাৰু জলপান-পাতি দিহা কৰিব। এতিয়া ভাতেই খামগৈ আৰু"।

"ভাল, গুৰুজনৰ ইচ্ছা," এইবুলি ম'হ শিঙীয়া গোঁফ কেঁচাত আকৌ মোহাৰ এটা মাৰি সন্তৰ্পণে সুধিলে, "পাচে, বন্দীৰ ঘৰতনো ধূলা দিলেহি সি সকামত?"

মই ঃ— সকাম বুলিবলৈ একো নাই, পেস্কাৰ। কিবা এখন্মান কথা এটিৰ খুঁকুৰি মাৰিবলৈহে আহিলো। হয় নে, আপুনি বোলে ৰাইজখনক কুকুৰ বুলি গালি পাৰিছে?

পেস্কাৰ ঃ— হৰি। হৰি। ভূমি-ছুই কৰ্ণত হাত দিয়া কথা। কোন খতাই নাৰকীয়ে ক'লে এনে কথা? ৰাইজক কুকুৰ বুলিবৰ বন্দীৰ কি শকতি আছে?

মই ঃ— সিদিনা টেপু আৰু কৃষ্ণাইয়ে বোলে আপোনাৰ ভঁড়ালতে ভোলা চেক্ৰেটেৰীৰ পথাৰৰপৰা অনা পকা ধানৰ মুঠি পালে। সেইবাবে, মেল চপালত আপোনাৰ পুতেকক ৰাইজে এশ টকা দণ্ড কৰে। তেওঁবিলাকে সেই দণ্ডৰ ধন বিচাৰি অহাত আপুনি ক'লে হেনো, "কুজুৰ ৰাইজক কিহৰ দণ্ড দিবলৈ আছে?" এই বুলি কৈয়েই, সিহঁতক বোলে ছুই যি নিকিলালে।

পেস্কাৰ ঃ— অ' সেইটো কথা। সিও এটা কথাৰ কথা নে? তাকে হ'বলা গুৰুজনে সুধিবলৈ আহিছে। টেপু-কৃষ্ণাইহঁতৰ মান তলখুচৰীয়া পাষণ্ড ক'ত ওলাব? ইহঁতে, গাঁৱত কোনে ক'ত কি কৰিছে খুঁচৰি ফুৰে। বন্দীয়ে গান্ধী ভলণ্টিয়াৰক বেয়া বোলা নাই, নোবোলেও। গড়মূৰীয়া গোঁসাই ঈশ্বৰে বৰ ভাল কামকে কৰিছে।' এইদৰে কথাৰ ঢাল অইন ফাললৈ পোনাই শেহান্তত পাকে— প্ৰকাৰে স্বীকাৰ কৰিলে, "গুৰুজনে শুনা কথা এটাইবোৰ সঁচা। এটি কথাহে মাথোন ৰেঙাই গৈছে।'

মই ঃ— কোনখিনিতনো ৰেঙালে, শুনোচোন বাৰু।

পেস্কাৰ ঃ— ৰাইজে বন্দীৰ পোক সন্দেহতে অকাৰণ

কথাত ১০০ টকা দণ্ড কৰা সঁচা। তেতিয়া বন্দীও মেলতে থকা হৈছিল। অযুগুত দণ্ড কৰা শুনি বন্দীয়ে নেমাতি নোৱাৰিলোঁ, বোলো, "মেলত থাকি যি নেমাতে উচিত, দোষে পায় তাকো কিঞ্চিৎ কিঞ্চিৎ'। এই দেখি, আমি মেলুৱাই স্বৰূপে কোৱা হ'ল, "তোৰ ধাননিয়ে চেক্ৰেটেৰীৰ ধাননিয়ে লগালগি ঃ গতিকে, ভুলেচুকেও মুঠি আনিব পাৰে। সি যে আনো বুলি আনিছে, বন্দীয়ে বিশ্বাস নকৰে। সঁচা কথাত দণ্ড কৰে দেখিবলৈ ভাল। অনাহকত বাৰু কোনে কেঁচা ধনখন ভৰে? কাকতীৰ পথাৰেৰে লেট্‌পেট আছিল দেখিছে, এনে অপযশটোকে শুনিবলৈ পোৱা হ'ল। দণ্ড কৰিছে, কৰক বাৰু। তাৰ পিচে, ১০০ টকা দণ্ড বৰ চৰি গৈছে। আমি হ'লে, দহ টকিতে থ'বলৈ কওঁ। ৰাইজৰ খাওত গৰুগুৰো পথা ছিগে বুলিহে সিমানকে কোৱা হৈছে। তাকে চাই ৰাইজে যি কৰে। এইবুলি সেও কৈ কোৱাত বন্দীৰ কথাতে ৰাইজ মান্তি হ'ল আৰু বন্দীৰ পো-টোক দহ টকাকে দণ্ড কৰিলে। আমিও সেই টকা দিবলৈ দিন লোৱা হ'ল।"

এই কুবুধীয়া ভলণ্টিয়াৰ কিটাহি আক' সিদিনা আহি বন্দীৰ ঘৰতে খেচ্ খেচ্ কৰে ধৰিছেহি বোলে ৰাইজৰ দণ্ড ৰূপ শ দিবই লাগে। বন্দীয়ে বোলো, "হেৰ কটাহঁত, ৰূপ শ বুলিলেই ৰূপ শ পায়নে? এশহে নেলাগে, দহ টকাকে পাৰনে নেপাব? এই বুলি ক'লত সিহঁতে বন্দীক বহুত নক'বলগীয়া কথা ক'লে। তেনেতে, বন্দীয়ে হ'বলা খঙৰ ভমকত কৈ পেলালো, "যা, যা, তহঁতৰ কুকুৰ বুলি ৰাইজখনে মোৰ কি কাণ কাটে কাটিব— মকৰা শইকীয়াই তাৰৈলে ভয় নকৰে।"

তাৰ পিছত, ভকতীয়া ভাও ধৰি, মোৰ মুখে-মুখে চাই আচল কথাটো ব্যক্তি কৰিলে, "চকচোন বাৰু গুৰুজন, বন্দীৰ পোক দণ্ড কৰা যেই, বন্দীক দণ্ড কৰাও সেই নহ'ল জানো? পো যেতিয়া আচামী, বাপেকীও জানো আচামীৰ লগৰে নহ'ল? ৰাইজে যেনিবা এশ টকা দণ্ড কৰিছিলেই, আচামীৰ বাপেক বন্দী-আচামীয়ে দহ টকাতে থ'বলৈ কোৱাত ৰাইজখননো কেলৈ মান্তি হ'ল? আচামীয়ে জানো আচামীক দণ্ড কৰিব পাৰে? যি ৰাইজে আচামীৰ কথাতে হৰিভৰ দিয়ে সেই ৰাইজ কুকুৰধূলি নহয় কি? ইহঁতে

খালী বন্দীক কেনেকৈ শলঠেকত পেলাওঁ তাকেহে অহৰ্নিশে চিন্তি থাকে। দহ টকা ক'ত আৰু এশ টকা ক'ত? এইবোৰ কেৱল টেপু-কুমলইৰ কাৰচাজি। তাতে আকৌ ৰাইজখনো তাহঁতৰে।"

পেস্কাৰৰ কথাৰ দোপাক-তেপাক দেখি, সেইটো কথা তাতে এৰি কংগ্ৰেছৰ সভ্য হোৱা আৰু তিলক ভঁড়াললৈ দান দিয়াৰ কথা উলিয়ালোঁ। দান-বৰঙণিৰ কথা উলিয়াবলৈহে পালোঁ, পেস্কাৰে সাউৎ কৰে ভিতৰলৈ সোমাই গৈ পাণবটা এটাতে তামোল-পাণ এটাই সৈতে ৰূপ তিনটকা আনি ঠাইখন মোহাৰি মোহাৰি মোৰ আগতে থ'লেহি।

টকা দেখি ক'লো, "বোলো পেস্কাৰ, কংগ্ৰেছৰ প্ৰতিজ্ঞা পত্ৰত চহী নকৰিলে, আপোনাৰ টকা ল'ব নোৱাৰো।"

পেস্কাৰ ঃ— বন্দীয়ে চহী-তহী নকৰে। বন্দীৰ ঘৰলৈ গুৰুজন আহিছে, কংগ্ৰেছলৈ দান লাগে বুলিছে, লৈ যক, এই কেটাকিকে। দুখীৰ দুখী অৱস্থাৰে যি পৰা হৈছে, দিয়া হৈছে।

মই ঃ— আপুনি চহী নকৰিলে টকা ছুবই নোৱাৰো।

পেস্কাৰ ঃ— (অলপ বেলি তভক মাৰি) ভাল বাৰু, নেলাগে ছুব। গুৰুজনে যদি এটা কাম কৰি দিব পাৰে, বন্দীক মহৎ উপকাৰ কৰা হ'ব। তাকে যদি কৰে, বন্দীয়ে চহীহে নেলাগে, তিলক ভঁড়ালীলৈও ডেবকুৰিমান ৰূপ আগবঢ়োৱা হ'ব।

তাৰ পিছত, তেওঁ পেট খুলি সকলো কথা প্ৰকাশ কৰিবলৈ ধৰিলে আৰু মইও কাণ পাতি শুনি গ'লো। পেস্কাৰে আৰম্ভ কৰিলে, "দেখিছেই, সৌজনী বন্দীৰে ঘৰৰ মানুহ, (এই বুলি, মোৰ মুখৰ আগতে বাঁহৰ চাং এখনতে শুই থকা তেওঁৰ ঘৈণীয়েকলৈ আঙুলিয়াই দেখুৱালে) আজি ছমাহ হ'ল, কঁকালৰ বিষত উঠিবপৰা নাই। পথাৰৰ পকাধান পথাৰতে মৰহিছে। জানেই নহয়, ম'হগুৱালবোৰ কেনে উৎপতীয়া। সিহঁতে নিশা-নিশাটো বন্দীৰ ধান ডবাতে ম'হ মেলি দিয়ে। ম'হে খাই-খচকি গোটেইখন তহিলং কৰে। ৰাতিপুৱা কুঁৱলীৰ আঁৰতে, গুৱাল পলাই জকাইচুক পায়গৈ। বন্দীয়ে খেদি-খেদি দুটামানৰ দা-টোকোন, টৌ-বাটি কাঢ়ি লৈ থৈছোঁ। তাহাঁতৰ ওপৰত মেল চপাই

বন্দীয়ে পাবলগীয়া ৰূপ চাবি কুৰিকে এতিয়া উলিয়াই দিব লাগে। গুৰুজনে এই ফেৰাকে উপকাৰ কৰক। কাৰ্য কেটকা পালেই, তাৰে দুকুৰি তিলক উড়ালাগে পাব আৰু সিকি এটা দি কংগ্ৰেছতো সোমোৱা হ'ব।"

মকৰা পেঙ্কাৰৰ মকৰাজলীয়া ফান্দখন দেখি মনে মনে হাঁহিলোঁও, বিমোৰতো পৰিলো। ভাবিলো, এওঁক কি কেনেকৈ আমাৰ ছিটিকাত লগাব পাৰোঁ, আমাৰ আৰু ৰামৰাজ্য— টিপমীয়া গাঁৱত আমাক আৰু কোনে পায়? এওঁৰেই যদি মুখখন বন্ধ হয়— খামোন বাৰুবতিয়ে নেলাগে, ত'ৰ জকাইচুকলৈকে কংগ্ৰেছৰ অখণ্ড ৰাজ্য হ'ল বুলি ধৰিয়েই ল'ব পাৰো।

ঘৰলৈ আহি পিছদিনাই ভলণ্টিয়াৰক (এওঁৰ কথা ওপৰত কোৱা হৈছে) জকাইচুকলৈ পঠিয়াই, গুৱালকিটাক মেললৈ আহিবলৈ জাননী দিলো। মানুহে কয়, "শিয়ালে-গুৱালে সমান।" বোপাটিক পঠিয়ালো যদিও, গুৱালে নে মোৰ কথা ক'ত মানিব বুলি মনতে সন্দেহো হ'ল। জাননীত লেখিছিলো— মকৰা পেঙ্কাৰৰ ধান খুউৱা বাবে তোমালোকৰ ওপৰত পেঙ্কাৰে গোচৰ দিছে। চাৰিং কংগ্ৰেছে অমুক তাৰিখে তাৰ বিচাৰ কৰিব। তোমালোক যেন দহোকুৰি মেললৈ নহাকৈ নেথাকা।

বোপাটি ভলণ্টিয়াৰেও আমাৰ জাননীৰ ওপৰত আৰু দুযাৰমান কথাৰে আগ-গুৰি কটাত, গুৱালকিজন দিনে-বাৰে আহি কংগ্ৰেছৰ মেলত উপস্থিত হ'লহি। মেলুৱাই আছিলঃ— সুৰথ চন্দ্ৰ চলিহা, লক্ষ্মীনাথ কটকী, বিষ্ণুলাল বৰকাকতী, কুশকান্ত বৰকাকতী আৰু ডিম্বেশ্বৰ কটকী। লক্ষ্মীনাথ কটকীৰ ঘৰতে সেই মেল বহিছিল। মেলুৱাই বিচাৰত সন্তুষ্ট নহ'ল। যদিও, পদকীয়া (আচামী) কিজনে আপোন ইচ্ছাৰেই টকা ভৰিবলৈ গাত ল'লে। কিন্তু সেই সময়ত হাতত নথকাত, ডিক্ৰী হোৱা ৮০ টকাৰ ভিতৰত আংশিকভাৱে যি যেনেকৈ পাৰে দিলে। কেউজনৰ পৰা মুঠ ৩৫ টকা পোৱা হ'ল। তাৰে ১০ টকা মেলুৱাইৰ দন্তুৰী বা মেলবহনিলৈ থাকিল। বাকী থকা ২৫ টকা এণ্ডোৱা মকবাৰ প্ৰাপ্য। পেষ্কাৰক লাগে জিকা হাঁহৰ মুৰটো টকাটো পাচ কথা। গুৱাৰহঁতে সেও মনাত পেষ্কাৰৰ হাতত পাব নাই। পূৰ্ব্বৰ অংগীকাৰ মতে তেওঁ ততালিকে জিলৰ

ভঁড়ালীলৈ ১৫ টকা দান আগবঢ়ালে আৰু চাৰি অনা দি কংগ্ৰেছৰ সভ্য ভুক্ত হ'ল। পেঙ্কাৰক কংগ্ৰেছ ভুক্ত কৰি হেঁকোই টিলিকি মাৰিলো। সেইদিনাৰপৰা বাকৰতি-টিপমীয়াত আৰু কংগ্ৰেছৰ ভয় নোহোৱা হ'ল। টেপু-কৃষ্ণাইৰো ভয়-ভ্ৰান্তি সকলো ভাগিল। ক'ৰবাত সভা-সমিতি বা মেল দোবান হ'লেই পেঙ্কাৰক নমতাকৈ নেথাকো। ৭০ বছৰীয়া বুঢ়া পেঙ্কাৰো, হাতত লাখুটিডাল লৈ থৰক বৰককৈ হ'লেও হাতত উপস্থিত হ'বগৈয়ে। মকৰা পেঙ্কাৰ অকল চাৰিগুৰে নহয়, চুতীয়া কুলৰেই এটি সাঁথৰময় অদ্ভুত চৰিত্ৰ।